পঞ্চম অধ্যায়

# সাম্প্ৰতিক প্ৰেক্ষাপটত সত্ৰীয়া সংস্কৃতি ঃ গুৰুত্ব, বহনক্ষমতা আৰু ভৱিষ্যৎ

# সাম্প্ৰতিক প্ৰেক্ষাপটত সত্ৰীয়া সংস্কৃতি ঃ গুৰুত্ব, বহনক্ষমতা আৰু ভৱিষ্যৎ

**৫.১ সত্ৰৰ গুৰুত্ব আৰু বহনক্ষমতা**

অসমত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠিত হোৱা সত্ৰানুষ্ঠানসমূহে অসমৰ সমাজ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰি আহিছে। সত্ৰ প্ৰতিষ্ঠাৰ প্ৰায় পাঁচশ বছৰৰ পাছতো সত্ৰসমূহ সমাজত বৰ্তি থকাটো উল্লেখযোগ্য দিশ। সত্ৰসমূহে বিভিন্ন সময়ত অসমৰ সমাজ ব্যৱস্থালৈ সামাজিক অৱদান আগবঢ়াই আহিছে। এই ক্ষেত্ৰত অসমৰ আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰও ব্যতিক্ৰম নহয়। আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰকেইখন ধৰ্মপ্ৰচাৰৰ কেন্দ্ৰ হোৱাৰ লগতে অসমৰ সমাজ জীৱনৰ বিদ্যায়তনিক, সাহিত্য, সংগীত , নৃত্য, নাট্য চৰ্চাৰ কেন্দ্ৰ ৰূপে পৰিচিত। সমাজত আধ্যাত্মিক, নৈতিক, সাংস্কৃতিক দিশৰ জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰতো আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰৰ ভূমিকা দেখা যায়। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই প্ৰতিষ্ঠা সময়ৰ পৰাই স্থানীয় সমাজক প্ৰতিনিধিত্ব কৰি আহিছে। সেই সম্পৰ্কে চতুৰ্থ অধ্যায়ত আলোচনা কৰা হৈছে।

সাম্প্ৰতিক যুগটো বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ নব্য চেতনাৰ উন্মেষকাৰী যুগ। এনে প্ৰেক্ষাপটত পাঁচশ বছৰীয়া পৰম্পৰাগত সংস্কৃতি, নৈতিকতা, আধ্যাত্মিকতা অসমৰ সমাজ ব্যৱস্থাত বহনক্ষম হৈ থকা আৰু গুৰুত্ব থকা দিশটো উল্লেখযোগ্য। বৰ্তমানৰ সমাজ-ব্যৱস্থাত ন-ন প্ৰযুক্তিৰ উদ্ভৱ, উন্নতমানৰ তথ্য প্ৰযুক্তিৰে শিক্ষা গ্ৰহণৰ সুবিধা থকা সময়ত সত্ৰ পৰিৱেশত পৰম্পৰাগত পদ্ধতিৰে আধ্যাত্মিক শিক্ষা তথা সাংস্কৃতিক শিক্ষা প্ৰদান কৰা দিশটো গুৰুত্বপূৰ্ণ।

অসমত শংকৰদেৱে প্ৰথম নামঘৰ স্থাপন কৰিছিল বৰদোৱাত। অৱশ্যে নামঘৰক 'হৰিগৃহ' বুলিহে নামকৰণ কৰিছিল। পাছত মাধৱদেৱ আৰু বৈষ্ণৱ সন্তসকলে বিভিন্ন ঠাইত নামঘৰ প্ৰতিষ্ঠা কৰিবলৈ ল'লে। প্ৰথমে নামঘৰবোৰ বাঁহ আৰু খেৰৰ আছিল যদিও পৰৱৰ্তী পৰ্যায়ত নামঘৰ নিৰ্মাণৰ আহিলাত পৰিৱৰ্তন আহিল। শিল, বালি ইটা আদিয়ে নামঘৰ নিৰ্মাণ কৰা হ'ল। বৰ্তমান

অসমৰ সকলো নামঘৰেই পকী। গাঁও অঞ্চলৰ নামঘৰত গুৰু আসন বা সিংহাসনৰ বাহিৰে মূৰ্তিৰ স্থান দেখা পোৱা নাযায়। বৰ্তমান চহৰৰ নামঘৰত অৱশ্যে হিন্দু মন্দিৰ সদৃশ এক পৰম্পৰা দেখা পোৱা যায়।

সমাজত নামঘৰ নিৰ্মাণ বা প্ৰতিষ্ঠা সত্ৰসমূহৰ এক উল্লেখযোগ্য অৱদান। অন্যান্য সত্ৰসমূহৰ লগতে বৰপেটা সত্ৰ, আউনীআটী সত্ৰ আৰু গড়মূৰ সত্ৰই নামঘৰ আৰু শাখা সত্ৰ স্থাপন কৰি সমাজত বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা বিস্তাৰৰ দিশত মনোনিৱেশ কৰি আহিছে। ধৰ্মীয় দিশক বাদ দিও নামঘৰসমূহে সমাজ-সংস্কৃতিক প্ৰতিনিধিত্ব কৰি আহিছে। সাহিত্য, সংস্কৃতি, শিক্ষা আদিৰ ক্ষেত্ৰতো নামঘৰে সমাজত প্ৰভাৱ বিস্তাৰ কৰে। একোখন সমাজৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ পৰা গ্ৰাম্য আদালতৰ কাম কৰে নামঘৰে। নামঘৰত মিছা কথা নোকোৱাৰ বিশ্বাসতে গাঁৱৰ বিচাৰ নিষ্পত্তি নামঘৰৰ মজিয়াতে সমাপন হয়। অজ্ঞানী জনক নৈতিক শিক্ষা প্ৰদান আদিৰ ব্যৱস্থা নামঘৰৰ জৰিয়তে প্ৰদান কৰে। এনেবোৰ দিশে সমাজত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।

নামঘৰৰ জৰিয়তে বছৰি বিভিন্ন উৎসৱ অনুষ্ঠান আদিৰ আয়োজনে সমাজত আন্তঃ সম্পৰ্ক সৰল ৰূপত গঢ়ি উঠাৰ ক্ষেত্ৰত ভূমিকা লয়। একত্ৰিত ভাৱে অনুষ্ঠানৰ সফল ৰূপায়ণ কৰিবলৈ এজনে আনজনক আগবঢ়োৱা সহায়-সহযোগিতাই সমাজত মানৱীয়তা জগাই তোলে। একোখন গাঁৱক একোটা পৰিয়াল ৰূপত আন্তঃসম্পৰ্কৰে বান্ধি ৰখাৰ ক্ষেত্ৰত নামঘৰে ভূমিকা গ্ৰহণ কৰে।

সত্ৰীয়া পৰম্পৰা অনুকৰণৰ ফলত গাঁওসমূহত নামঘৰ স্থাপন হ'ল। পৰৱৰ্তী সময়ত গাঁও একোখনৰ পৰিচয় নামঘৰক কেন্দ্ৰ কৰিয়েই হ'বলৈ ল'লে। সত্ৰৰ সকলো পৰম্পৰা নামঘৰত পালিত নহয়; কাৰণ সত্ৰৰ নিৰ্দিষ্ট ভকতৰ নৈমিত্তিক প্ৰসঙ্গকে আদি কৰি বিভিন্ন আধ্যাত্মিক কাম-কাজ দৈনিক গাঁৱৰ নামঘৰত পালন কৰাৰ ক্ষেত্ৰত অসুবিধা হয়। সেয়ে নিৰ্দিষ্ট তিথি, উৎসৱ, বিহু আদিতহে প্ৰসঙ্গ তথা আধ্যাত্মিক কাম-কাজ নামঘৰত পালন কৰা দেখা যায়। সমাজ একোখনৰ স্বাভিমান নামঘৰৰ জৰিয়তে গাঁওবাসীয়ে প্ৰকাশ কৰিবলৈ যত্ন কৰে। নিয়াৰিকৈ অনুষ্ঠান আয়োজন কৰা, তিথি-উৎসৱত নামঘৰভাগ আতক-ধুনীয়াকৈ সজাই সমাজখনৰ পৰিচয় দাঙি ধৰে। নামঘৰ প্ৰতিষ্ঠাৰ আঁৰত ধৰ্মীয় ভাৱাদৰ্শ জড়িত যদিও নামঘৰে বিভিন্ন ক্ষেত্ৰত সমাজক প্ৰতিনিধিত্ব কৰি

আহিছে। আধুনিক ৰঙ্গমঞ্চ, প্ৰেক্ষাগৃহৰ আৰ্হি নামঘৰে বহন কৰি আহিছে। কিয়নো নামঘৰৰ মজিয়াস্থলীতে গীত, নৃত্য, ভাওনা , আলোচনা সভা আদি আয়োজিত হৈ আহিছে। অভিনয় স্থলী হিচাপে, অসমৰ ঐতিহাসিক ক্ষেত্ৰ হিচাপে নামঘৰকে ক'ব পাৰি। কাৰণ তাৰ আগত অভিনয়ৰ স্থলী হিচাপে অসমৰ সমাজ ব্যৱস্থাত অন্য কোনো স্থায়ী নিৰ্দিষ্ট ক্ষেত্ৰ পোৱা নাযায়। ইয়াৰ উপৰিও নামঘৰক সমাজৰ জাতীয় সংগ্ৰহালয় বুলিব পাৰি। নামঘৰত অসমৰ বহু পুৰণি সাঁচিপাতৰ পুথি, ভাগৱত, পুৰাণ, মহাভাৰত, নামঘোষা, ৰত্নাৱলী, কীৰ্তন, দৰ্শম, অঙ্কীয়া নাট আৰু অসমৰ বিভিন্ন প্ৰান্তত লিখা মাতৃভাষাৰ ভাওনা নাট আদি সংৰক্ষিত হৈ থাকে। নামঘৰত আয়োজন কৰা ভাওনাৰ নাট বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰি ভাওনাৰ পাছত নামঘৰত সংৰক্ষণ কৰি ৰাখে। সেইদৰে অসমৰ পৌৰাণিক সম্পদ— সঁফুৰা, বঁটা, শৰাই আদি নামঘৰত সংৰক্ষিত হৈ থাকে। অসমৰ লোকবাদ্য— দবা, শংখ, কাঁহ, খোল, ঢোল, বৰতাল, খুটিতাল, নাগাৰা, খঞ্জৰি, ৰামতাল, লহৰি আদি বাদ্যযন্ত্ৰও নামঘৰতে সংৰক্ষিত হৈ থাকে। নিৰ্দিষ্ট সময়ত এই বাদ্যযন্ত্ৰ আৰু সম্পদসমূহ ব্যৱহাৰ কৰা হয়। আধুনিক মিউজিক স্কুলৰ ধাৰণা নামঘৰতে গঢ়ি উঠিছিল। গাঁৱৰ পৰিৱেশত নামঘৰৰ স্থলীতে গায়ন-বায়ন, গীত, নৃত্য, নামৰ আখৰা; ন-শিকাৰু পাঠক, নাম-লগোৱা, বায়ন আদিক ভাদ মাহ বা আজৰি সময়ত জনাসকলে শিক্ষা দিয়ে। এইদৰে নামঘৰতে আখৰা, ন-শিকাৰুৰ অনুশীলনৰ জৰিয়তে পৰম্পৰাগতভাৱে গাঁওসমূহত সংস্কৃতিৰ চৰ্চা কৰি আহিছে। একোখন সমাজৰ পৰম্পৰা তথা সংস্কৃতিৰ বাৰ্তাবাহক হিচাপে নামঘৰে পৰিচয় বহন কৰি আহিছে। নামঘৰ অনুষ্ঠানত পুৰুষ আৰু মহিলা উভয়ে জাতীয় সাজ পৰিধান কৰি প্ৰৱেশ কৰে বা কৰাতো এক পৰম্পৰা । এই পৰম্পৰাই অসমীয়া জাতীয় সাজ পাৰৰ লগত নৱপ্ৰজন্মক পৰিচয় কৰাই দিয়ে। সমাজৰ ভিন্ন দিশত নামঘৰৰ গুৰুত্বলৈ লক্ষ্য কৰিয়েই সত্ৰসমূহে সমাজত নামঘৰ প্ৰতিষ্ঠাৰ কাৰ্যসূচী বৰ্তমানো অব্যাহত ৰাখিছে। ভিতৰুৱা অঞ্চল, জনজাতীয় গাঁও অঞ্চলত নামঘৰ প্ৰতিষ্ঠাৰে সাংস্কৃতিক তথা আধ্যাত্মিকতা গঢ়ি তুলিব বিচৰা দেখা যায়।

সাম্প্ৰতিক সময়ত আউনীআটীসত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰৰ আন এক গুৰুত্বপূৰ্ণ সংস্কৃতি হৈছে— সত্ৰৰ দৈনন্দিন কাৰ্য-কলাপ । আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত

দৈনন্দিন পালিত পৰম্পৰা বা ৰীতি-নীতিৰ সম্পৰ্কে দ্বিতীয় অধ্যায়ত আলোচনা কৰা হৈছে। উদাস, অৰ্ধ উদাস, গৃহস্থী প্ৰতিখন সত্ৰৰে নিৰ্দিষ্ট দৈনন্দিন ৰীতি, পৰম্পৰা আছে। সেয়া সত্ৰসমূহে পুৰুষাণুক্ৰমে পালন কৰি আহিছে। এই ৰীতি-পৰম্পৰা সাম্প্ৰতিক সময়তো সত্ৰৰ পৰিৱেশত দেখা পোৱা যায়। ইয়াৰ মূল কাৰণ হ'ল— সত্ৰত পালিত ৰীতি-পৰম্পৰাৰ মাজত নিহিত থকা আধ্যাত্ম চেতনা। সত্ৰীয়া ৰীতি-পৰম্পৰাৰ বাস্তৱ ভিত্তিৰ বাবেই আজিও সেই পৰম্পৰা সত্ৰত পৰিৱেশিত হৈ আহিছে। অসমৰ গাঁও অঞ্চলসমূহেও সত্ৰৰ এই পৰম্পৰাক অনুসৰণ কৰি আহিছে। সত্ৰৰ পৰম্পৰা, ৰীতি-নীতিৰ মাজত আধ্যাত্ম চেতনা, দৈহিক উৎকৰ্ষ, মানসিক প্ৰশান্তি দিব পৰা গুণবোৰৰ বাবেই বৰ্তমানো জন-সমাজত গুৰুত্ব পাই আহিছে। অৱশ্যে এইয়া নহয় যে সত্ৰৰ সকলো ৰীতি-নীতিয়েই গুৰুত্বপূৰ্ণ। সত্ৰত পালিত এনে কিছু নীতি পৰম্পৰা আছে যি বাস্তৱিক সমাজ সাপেক্ষ নহয়।

ক) সত্ৰত দৈনিক দিয়া পদজল গ্ৰহণ, নিৰ্মালি প্ৰদান আদি ৰীতিৰ বৈজ্ঞানিক যুক্তিযুক্ততা দেখা পোৱা নাযায়।

খ) বৰপেটা সত্ৰত মহিলা প্ৰৱেশ কৰিব নোৱাৰা পৰম্পৰাৰ বৈজ্ঞানিক যুক্তিযুক্ততা বিচাৰি পোৱা নাযায়। সাম্প্ৰতিক শিক্ষিত সমাজত সমাজৰ দাপোন স্বৰূপ একোখন সত্ৰৰ এনে পৰম্পৰাই সত্ৰখনৰ প্ৰতি সমাজত বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা বেছি।

গ)শ্ৰেণী বৈষম্য, নিম্ন শ্ৰেণী মানুহক সত্ৰৰ কাম কাজত অংশ গ্ৰহণ কৰিবলৈ নিদিয়া দিশটো সমাজ সাপেক্ষ নহয়।

ঘ) আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰত বৰ্তমানলৈকে কোনো জনজাতীয় লোকক সত্ৰৰ ভকত হিচাপে ৰখা দেখা নাযায়।

সত্ৰীয়া সংস্কৃতিসমূহৰ ভিতৰত বৰ্তমানলৈকে অসমৰ জনমানসত বহনক্ষম তথা গুৰুত্ব থকা এটা উল্লেখযোগ্য উপাদান হ'ল- সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া গীত। অংকীয়া নাট ভাওনাক ভেটি হিচাপে লৈ সত্ৰসমূহত সৃষ্টি হোৱা সত্ৰীয়া গীত-নৃত্যৰ পৰম্পৰাই বৰ্তমানো জনসমাজৰ মাজত জনপ্ৰিয়তা তথা চৰ্চা লাভ কৰি আছে। যাৰ ফলত ২০০০ চনত ভাৰত চৰকাৰৰ পৰা শাস্ত্ৰীয় শৈলীৰ নৃত্যৰূপে স্বীকৃতি পাবলৈ সক্ষম হয়। সত্ৰীয়া গীত- নৃত্যৰ বৈজ্ঞানিক দৃষ্টিভংগী

সম্পৰ্কে তৃতীয় অধ্যায়তে আলোচনা কৰা হৈছে । নৃত্যৰ সৈতে শৰীৰ চৰ্চা দিশটো জড়িত হৈ আছে। সত্ৰীয়া নৃত্য এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। সাম্প্ৰতিক সময়ত সত্ৰীয়া নৃত্য মঞ্চ উপযোগীকৈ উপস্থাপন কৰা হৈছে যদিও সত্ৰীয়া নৃত্য সত্ৰ পৰম্পৰাত নিত্য নৈমিত্তিক উপাসনাৰ জড়িত এক পৰম্পৰাগত নৃত্য শৈলী ৰূপে পৰিৱেশন হৈ থকা দেখা যায়। য'ত ভক্তি মূলক বা ভক্তিপৰ দিশটো জড়িত হৈ থকা দেখা যায়। ঠিক সেইদৰে সত্ৰীয়া গীতেও অসমৰ জনমানসত গুৰুত্ব লাভ কৰি আহিছে। গাঁৱৰ অনুষ্ঠান প্ৰতিষ্ঠানত সত্ৰীয়া বৰগীত, প্ৰসঙ্গৰ পৰিৱেশন দেখা পোৱা যায়। আধ্যাত্মিক চেতনা সম্বলিত সত্ৰীয়া গীতবোৰ অসমৰ সমাজ ব্যৱস্থাত পূৱা গধূলি নৈমিত্তিক ভাৱে চৰ্চা কৰা দেখা যায়। তাত্বিক দিশৰ পৰিৱৰ্তে আধ্যাত্মিক দিশৰ ফালৰ পৰাই সত্ৰৰ এই গীতৰ পৰম্পৰা অসমৰ সমাজ ব্যৱস্থাত বহনক্ষম হৈ থকা দেখা যায়।

সাম্প্ৰতিক সময়ত সত্ৰীয়া গীত-নৃত্যৰ গুৰুত্ব অসমৰ জনসমাজত বৃদ্ধি পোৱা দেখা যায়। পাঁচশ বছৰৰ আগতেই সৃষ্ট এই গীত-নৃত্যই বৰ্তমানো অসমত চৰ্চা লাভ কৰা কাৰ্যই সত্ৰীয়া গীত-নৃত্যৰ গুৰুত্ব বহন কৰে। শেহতীয়াকৈ সত্ৰীয়া নৃত্য শৈলীয়ে শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি লাভ কৰাৰ পৰা অসমৰ শিক্ষানুষ্ঠানৰ লগতে ভাৰতৰ শিক্ষা ব্যৱস্থাতো সত্ৰীয়া নৃত্যৰ পাঠ্যক্ৰম আৰম্ভ হ'ল। অসমৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, শংকৰদেৱ বিশ্ববিদ্যালয় আদিত পৰিৱেশ্য কলাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত বিষয় হিচাপে সত্ৰীয়া নৃত্যৰ দুবছৰীয়া পাঠ্যক্ৰম আৰম্ভ হৈছে। লগতে অসমৰ বিভিন্ন প্ৰান্তত থকা সত্ৰীয়া নৃত্যৰ বিদালয়সমূহতো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। জনগোষ্ঠীয় লোক গীত- নৃত্যসমূহক বাদ দি অসমৰ সত্ৰসমূহত পৰিৱেশিত হৈ থকা সত্ৰীয়া গীত-নৃত্যই বিশ্বত সুকীয়া চিনাকি দিবলৈ সক্ষম হৈছে। সাম্প্ৰতিক অসমৰ বিভিন্ন অনুষ্ঠানত সত্ৰীয়া গীত-নৃত্যৰ প্ৰাধান্য দেখা পোৱা যায়। অনুষ্ঠান আৰম্ভণি তথা অনুষ্ঠানৰ মাজত সত্ৰীয়া গীত-নৃত্য পৰিৱেশিত হোৱা দেখা যায়। ইয়াৰ জৰিয়তে অনুষ্ঠানত এক আধ্যাত্মিক তথা শান্ত পৰিৱেশ বিৰাজ কৰে।

অৱশ্যে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত সাধাৰণতে দেখা পোৱা কেইটামান প্ৰধান সমস্যা হ'ল— সত্ৰীয়া নৃত্য শিক্ষণৰ ৰূপৰ ভিন্নতা কিছু ক্ষেত্ৰত পৰিলক্ষিত হয়। সত্ৰৰ ভিতৰৰ নিত্য-নৈমিত্তিক পৰম্পৰাত নৃত্য কৰিবৰ বাবে কৰা শিক্ষণ সত্ৰৰ

বাহিৰৰ নগৰ-মহানগৰকেন্দ্ৰিক ব্যৱস্থাত সত্ৰীয়া নৃত্যৰ শিক্ষণ আৰু অনুষ্ঠান বিশেষৰ অধীনত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণত সত্ৰীয়া নৃত্যৰ শৈলীত কিছু পাৰ্থক্য আহি পৰে। আনহাতে সাম্প্ৰতিক সময়ত দেখা পোৱা আন এক সমস্যা হ'ল— বৰগীতত সত্ৰীয়া ভংগীমাৰে কৰা আধুনিক নৃত্যকো সত্ৰীয়া হিচাপে জনসমাজত প্ৰচাৰ কৰিবলৈ কৰা এক প্ৰচেষ্টা। যিয়ে প্ৰকৃত নৃত্য শৈলীক ধ্বংস কৰিব পাৰে। লগতে উপযুক্ত নৃত্য প্ৰশিক্ষকৰ অভাৱ আৰু অধ্যয়ন নোহোৱাকৈ সামাজিক মাধ্যমৰ ভিডিঅ' আদিৰ পৰা লোৱা শিক্ষাও নৃত্য পৰম্পৰাৰ ভৱিষ্যৎ ধ্বংস কৰাৰ সম্ভাৱনা দেখা যায়। এই ক্ষেত্ৰত সত্ৰৰ বিষয়ববীয়াসকল সচেতন হোৱাৰ দৰকাৰ। নহ'লে ক্ৰমান্বয়ে সত্ৰীয়া নৃত্যই এক বিকৃত ৰূপ সমাজত দেখা পোৱা যাব।

সেই দৰে সত্ৰীয়া গীতৰ মাজতো কিছু সমস্যা দেখা পোৱা যায়। অসমত বৰপেটা, নগাঁও আৰু কমলাবৰীয়া এই তিনি ভাগত সত্ৰীয়া গীতৰ ৰাগসমূহ পৰিৱেশন হোৱা দেখা যায়। ফলত নিৰ্দিষ্ট নোহোৱাৰ বাবেও প্ৰকৃত ৰাগক নিৰ্ধাৰণ কৰিব পৰা নাযায়। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ মাজতো ৰাগ বা গীত পৰিৱেশনৰ পাৰ্থক্য আছে। এই ক্ষেত্ৰত সত্ৰসমূহৰ একত্ৰিকৰণ তথা একৰূপতা দৰকাৰ।

সত্ৰীয়া গীত-নৃত্য অধ্যয়নৰ বস্তু। সত্ৰীয়া গীতত ব্যৱহৃত ৰাগ আৰু নৃত্য পৰম্পৰাত ব্যৱহৃত হস্ত মুদ্ৰাসমূহে বিশেষ বিশেষ অৰ্থ বহন কৰে। তেনে অৰ্থৰ প্ৰকৃত জ্ঞান নথকাকৈ এনে গীত-নৃত্যক কেৱল পৰিৱেশনৰ মাধ্যমেৰে আগবঢ়ালে গীত-নৃত্য পৰম্পৰাৰ মাজত নিহিত হৈ থকা দীৰ্ঘদিনীয়া গূঢ়াৰ্থ লুপ্ত হৈ পৰিব। সেয়েহে সত্ৰসমূহে এই ক্ষেত্ৰত সু-ব্যৱস্থা লোৱা উচিত। প্ৰকৃত প্ৰশিক্ষণ আদিৰে আগ্ৰহীসকলক নৃত্য পৰম্পৰাটোৰ বিষয়ে শুদ্ধ ৰূপত উপস্থাপনৰ ব্যৱস্থা কৰিব লাগে। লগতে বিভিন্ন স্থানত, গাঁৱসমূহত, মহাবিদ্যালয়, বিদ্যালয়সমূহতো সত্ৰৰ ফালৰ পৰা নিজাববীয়কৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে যাতে অসমৰ এই নৃত্য শৈলী ভৱিষ্যতে শুদ্ধ ৰূপত উপস্থাপিত হৈ থাকে।

আধ্যাত্মিকতাৰ ভেটিত গঢ় লৈ উঠা আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ দৰে সত্ৰসমূহ বিশেষকৈ বৰ্তি আছে শংকৰদেৱৰ দৰ্শনক কেন্দ্ৰ কৰি। সত্ৰ প্ৰতিষ্ঠাৰ মূল কাৰণ হ'ল শংকৰদেৱৰ দৰ্শন অসমৰ সমাজ ব্যৱস্থাত প্ৰচাৰ কৰা। সেয়ে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু

বৰপেটা সত্ৰসমূহতো বিজ্ঞান, নন্দনতত্ত্ব, সমাজতত্ত্ব, গণতান্ত্ৰিক প্ৰমূল্য, সাহিত্য, সংস্কৃতি, কলা আদি সকলো দিশৰ চৰ্চা দীৰ্ঘদিন ধৰি কৰি অহা হৈছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ সমাজ ব্যৱস্থাত সত্ৰীয়া দৰ্শনসমূহ বৰ্তমানো বহনক্ষম হৈ আছে কেৱল এই দৰ্শনসমূহৰ মাজত থকা তাত্ত্বিক দিশৰ বাবে। অৱশ্যে সত্ৰৰ পৰম্পৰাত দৈনন্দিন ৰীতি-নীতিৰ মাজেৰেই এই দৰ্শনসমূহ চৰ্চা হয়। যিবোৰ দৰ্শনৰ বৰ্তমান অসমৰ প্ৰেক্ষাপটত গুৰুত্ব অধিক। চতুৰ্থ অধ্যায়ত এই বিষয়ে আলোচনা কৰা হৈছে।

আধ্যাত্মিকতাৰ মাজেৰে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ পৰিৱেশত সৎ আৰু সাধাৰণ জীৱনৰ শিক্ষা, অহিংসা, সাম্য আৰু মানৱতাৰ শিক্ষা, বিজ্ঞানসন্মত জীৱন পদ্ধতি তথা চৰ্চা, পৰিৱেশ সম্পৰ্কীয় চেতনা, স্বচ্ছ জীৱন যাপনৰ পদ্ধতি আৰু দাস্য ভাবাপন্নৰ দৰ্শন দেখা পোৱা যায়। যিসমূহ সাম্প্ৰতিক সময়তো অসমৰ সমাজ ব্যৱস্থাত গুৰুত্বপূৰ্ণ হৈ আছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰসমূহত দৈনন্দিন গুৰুত্ব দিয়া দেখা যায়— যোগদৰ্শনৰ যম আৰু নিয়মক। অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য, অপৰিগ্ৰহ এই পাঁচোটা যম আৰু শৌচ, সন্তোষ, তপস্যা, শ্ৰদ্ধা, ঈশ্বৰৰ প্ৰণিধান এই পাঁচটা নিয়মক বিশেষ স্থান সত্ৰত দিয়া দেখা যায়। এইসমূহ দিশৰ ফালৰ পৰা সত্ৰীয়া দৰ্শন সমাজত বহনক্ষম হৈ আছে।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত বলি বিধান, পূজা-পাতল নিষেধ কাৰ্যয়ো সাম্প্ৰতিক সময়ত গুৰুত্ব লাভ কৰি আহিছে। আনহাতে সত্ৰত গ্ৰহণ কৰা সাত্ত্বিক আৰু স্বাস্থ্যসন্মত খাদ্য গ্ৰহণ প্ৰণালী, সকলোৰে প্ৰতি সাম্য ভাৱ প্ৰদৰ্শনৰ দৃষ্টিভংগী উল্লেখযোগ্য। স্বাস্থ্যসন্মত খাদ্য সম্পৰ্কে দ্বিতীয় অধ্যায়ত আলোচনা কৰা হৈছে।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰসমূহে দৈনন্দিন ৰীতি-নীতিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া দিশটো সাম্প্ৰতিক সময়ত মনকৰিবলগা বিষয় । সত্ৰসমূহত স্বচ্ছতাৰ শিক্ষা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে ঈশ্বৰ আৰাধনা কৰা, জীৱন ধাৰণৰ চৰ্চা, আহাৰ গ্ৰহণ আদিৰ ক্ষেত্ৰত সত্ৰৰ যি পৰম্পৰা, সেই পৰম্পৰাসমূহ বৰ্তমান সময়তো প্ৰাসঙ্গিক হৈ আছে। বিশেষকৈ সম্প্ৰতি ক'ভিড পৰিস্থিতিত প্ৰাসংগিক হৈ উঠা সত্ৰৰ স্বচ্ছতা দিশটো অতি গুৰুত্বপূৰ্ণ। সত্ৰত পুৰা গা-ধোৱা, শৌচ-প্ৰস্ৰাৱৰ ক্ষেত্ৰত নিৰ্দিষ্ট নীতি-নিয়ম, পৰিষ্কাৰ কাপোৰ পৰিধান কৰা, অন্য ব্যক্তিক

সাধাৰণতে স্পৰ্শ নকৰা, বাহিৰৰ পৰা আহিলে গা-ধুই ঘৰত প্ৰৱেশ কৰা , খোৱা বস্তু বিতৰণ কৰোঁতে গামোচাৰে মুখ বন্ধা এই সমূহ পৰম্পৰা আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰম্পৰাগত ভাৱেই প্ৰচলিত হৈ আহিছে। সেয়া পৰম্পৰা আবদ্ধ আছিল কেৱল সত্ৰৰ পৰিৱেশৰ মাজত। বাহিৰৰ পৰা আহি ভৰি হাত ধূই ভিতৰত প্ৰৱেশ কৰিব, এজনে আনজনৰ ওচৰত কথা পাতিলে এক মিটাৰ দূৰত্বত কথা পাতিব, খাদ্য বিতৰণ আদিৰ ক্ষেত্ৰত মাস্ক আদিৰ প্ৰয়োগ কৰিব। দেখা যায় যে এনে পৰম্পৰা অসমৰ সত্ৰ ব্যৱস্থাত বহু পুৰণি। সেই দিশৰ পৰা আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত স্বচ্ছতা সম্পৰ্কীয় যি পৰম্পৰা দৈনন্দিন ব্যৱহৃত হৈ আহিছে সেইসমূহ বিজ্ঞানসন্মত এক পৰম্পৰা। যিসমূহ পৰম্পৰা বৰ্তমান সময়তো সমাজৰ বাবে বহনক্ষম হৈ আছে।

সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ সমাজ ব্যৱস্থাত সত্ৰৰ গুৰুত্ব থকাৰ মূলতে হ'ল— সত্ৰৰ নৈতিক , আধ্যাত্মিক আৰু সাংস্কৃতিক শিক্ষা। সত্ৰৰ প্ৰধান উদ্দেশ্য মানুহক সৎ চৰিত্ৰ, সৎ আদৰ্শৰে জীৱন যাপনৰ শিক্ষা প্ৰদান কৰা। ফলত আউনীআটী সত্ৰত সৰু অৱস্থাৰ পৰাই এজন শিশুক বিভিন্ন মাধ্যমেৰে এনে শিক্ষাৰ অনুশীলন কৰোঁৱা হয়। আত্ম উপলব্ধি জ্ঞানৰ দ্বাৰা সত্ৰত শিশু অৱস্থাৰ পৰাই শিশুৰ মানসিক পৰিৱৰ্তন সাধন কৰিবলৈ যত্ন কৰোঁৱা হয়। ফলত এনে শিক্ষাৰ জৰিয়তে শিশু এজনক দয়াশীল, ধৈৰ্যশীল ৰূপত উপস্থাপন কৰোঁৱাৰ ক্ষেত্ৰত সহায় হোৱা দেখা যায়। নৈতিক শিক্ষা লাভ কৰা শিক্ষিত ব্যক্তিয়ে আনৰ অপকাৰ, অসৎ কৰ্মত লিপ্ত হ'ব নোৱাৰে, সেয়ে সত্ৰত দিয়া নৈতিক শিক্ষাৰ গুৰুত্ব বৰ্তমানো অসমৰ সমাজ ব্যৱস্থাত আছে। বৰ্তমানো আউনীআটী সত্ৰত প্ৰতি বছৰে অসমৰ গাঁওসমূহৰ পৰা ইচ্ছাকৃত ভাৱে ঘৰৰ মানুহে ১৫/২০ জন শিশুক নৈতিক তথা আধ্যাত্মিক শিক্ষাৰ বাবে প্ৰেৰণ কৰা দেখা যায়। এনে শিশুসকলক সত্ৰত নৈতিক শিক্ষাৰ সামন্তৰালকৈ সাংস্কৃতিক শিক্ষাৰে সামগ্ৰিক বিকাশত গুৰুত্ব দিয়া দেখা যায়। বৰপেটা সত্ৰত স্থায়ীভাৱে ৰাখি শিশুসকলক প্ৰতিদিনে নৈতিক শিক্ষা দিয়াৰ ব্যৱস্থা নাই। কিন্তু সপ্তাহত নিৰ্দিষ্ট দুটা দিনত সাংস্কৃতিক শিক্ষাৰ লগতে নৈতিক শিক্ষাও প্ৰদান কৰা হয়। গড়মূৰ সত্ৰ গৃহস্থী হোৱা বাবে গৃহস্থী ভকতৰ শিশুসকলক আজৰি সময়ত সত্ৰত এনে শিক্ষা প্ৰদান কৰে। দেখা যায় সত্ৰীয়া সাংস্কৃতিক কৰ্ম, যেনে-ভাওনা, বৰগীত, নৃত্য আদি শিকাৰ ক্ষেত্ৰত বা পৰিৱেশনৰ

ক্ষেত্ৰটো আধ্যাত্মিক তথা শ্ৰদ্ধা মনোভাৱেৰে উপস্থাপন কৰা দেখা যায়। অসমত প্ৰচলিত অন্য গীত-নৃত্যৰ ক্ষেত্ৰত অৱশ্যে সেয়া দেখা নাযায়। ফলত শিক্ষা গ্ৰহণ বা পৰিৱেশনৰ মাজত শ্ৰদ্ধা বা ভক্তি ভাৱ নিহিত হৈ থকা দেখা যায়।

অসমৰ আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰসমূহত বৰ্তমান সময়লৈকে সমাজত বহনক্ষম হৈ থকা এটা উপাদান ভাওনা। শংকৰদেৱে অসমত ভাওনা সৃষ্টিৰে অসমীয়া নাটক তথা অভিনয়ৰ পাতনি মেলিছিল চিহ্নযাত্ৰা নাটকৰ জৰিয়তে। তাৰ পাছতেই ক্ৰমে অংকীয়া নাট ৰচনা হ'ল আৰু ভাওনাই লোকৰঞ্জন আৰু লোকবাৰ্তাৰ এক মাধ্যম হিচাপে পৰিচয় লাভ কৰিলে। আধ্যাত্মিক পৰিৱেশৰ মাজেৰে সত্ৰ আৰু সমাজত ভাওনা উপস্থাপন হ'বলৈ আৰম্ভ কৰিলে আৰু ক্ৰমে সত্ৰসমূহত মাতৃ ভাষাত পুৰাণ , ৰামায়ণ, মহাভাৰত আদিৰ কাহিনীৰ আলমত ভাওনা ৰচনা হ'বলৈ ধৰিলে। ভাওনা ৰচনা বহুবছৰৰ পাছতো সাম্প্ৰতিক সময়ত সত্ৰত বা অসমৰ সমাজত ভাওনাই গুৰুত্ব লাভ কৰাৰ মূলতে হ'ল ভাওনাৰ উপস্থাপনৰীতি আৰু ইয়াৰ আধ্যাত্মিক জ্ঞানে দৰ্শকৰ মনস্তত্ত্বত ক্ৰীড়া কৰিব পাৰে। সেয়ে ভাওনাক আজিও সমাজত গুৰুত্ব দিয়া দেখা যায়।

ভিন্ন কাহিনীৰ মাজেৰে গাঁৱৰ সমাজত নিৰক্ষৰ মানুহক বুজাবলৈ ভাওনা এক মাধ্যম আছিল। কাৰণ ভাওনাৰ জৰিয়তে হৰিকথা শ্ৰৱণ, কীৰ্তন, স্মৰণ, দৰ্শন হয়। সাম্প্ৰতিক সময়ত ভাওনা নাটকসমূহৰ ক্ষেত্ৰত বিশেষ পৰিৱৰ্তন দেখা পোৱা যায়। ভাগৱতৰ কাহিনীৰ আধাৰত নাট ৰচনা কৰা দেখা যায়। বিশেষকৈ একবিংশ শতিকাৰ পাছত এই ধৰণৰ নাটৰ গুৰুত্ব সমাজত বৃদ্ধি পোৱা দেখা যায়। বৰ্তমান নাটসমূহত যুদ্ধ বিগ্ৰহতকৈ নৈতিকতা, অস্পৃশ্যতাবৰ্জন, ঐক্য, সংহতি, সম্প্ৰীতিৰ সমাজ গঠন আদি সমাহাৰ দেখা যায়। সেয়ে বৰ্তমান সত্ৰৰ উপৰিও অসমৰ সমাজত ভাওনাৰ গুৰুত্ব বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক সময়ত বিশেষকৈ একবিংশ শতিকাৰ প্ৰথম দশকৰ পৰাই অসমত ভাওনাৰ গুৰুত্ব বৃদ্ধি কৰিবলৈ এক নতুন সম্পৰীক্ষা আৰম্ভ হয় আউনীআটী সত্ৰত। মাতৃ ভাষাৰ ভাওনাক আধুনিক ৰূপ দিয়াত সত্ৰখনে ভূমিকা গ্ৰহণ কৰে। এই আধুনিক ৰূপ দিয়াৰ মূলতে থকা বিভিন্ন কাৰণবোৰ হ'ল।

ক) পৰম্পৰাগতভাৱে প্ৰচলিত ভাওনা নাটৰ কাহিনী আছিল দীঘলীয়া। এখন ভাওনা নাটক

প্ৰদৰ্শনৰ বাবে সময় লাগিছিল ৮/৯ ঘন্টা। কিন্তু যুদ্ধ বা ঘটনা প্ৰধান নাটকৰ পৰিৱৰ্তে কাহিনী প্ৰধান নাটক ৰচনাৰ দিহা কৰি এখন ভাওনা সম্পূৰ্ণ শেষ হ'বলৈ ৪ ঘন্টা সময় নিৰ্ধাৰণ কৰিলে। ইয়াৰ কাৰণ দৰ্শকে যাতে সময়ৰ বাবে কাহিনী আধাতে সমাপ্ত কৰি এৰি নাযায়।

খ) নাটকৰ কাহিনীৰ ক্ষেত্ৰত দেখা যায়— পূৰ্বৰ কাল্পনিক নাট, যুদ্ধ বিগ্ৰহ, অধিক কাহিনী সংযোজিত নাটৰ পৰিৱৰ্তে ভাগৱত, পুৰাণৰ তত্ত্ব কথা, ধৰ্মৰ মাহাত্ম্য সম্পৰ্কীয় কাহিনীয়ে প্ৰাধান্য পাবলৈ ল'লে।

গ) দৰ্শকৰ মনোগ্ৰাহী হোৱাকৈ পোহৰ আৰু শব্দ সংযোজন কৰিবলৈ ল'লে। খোল, তাল, দবাৰ লগতে বাঁহীৰ সংযোজনে নাটৰ কাহিনীয়ে যাতে দৰ্শকক সহজতে আকৰ্ষিত কৰিব পাৰে তেনে ব্যৱস্থা কৰা হ'ল।

ঘ) ২০০৬ চনৰ পৰা আউনীআটী সত্ৰই সদৌ অসম ভিত্তিত ভাওনা সমাৰোহ আৰু প্ৰতিযোগিতা আয়োজন কৰি ভাওনাক পুনৰ অসমত জনপ্ৰিয় কৰি তুলিলে।

ভাওনাৰ এই আধুনিক উপস্থাপনৰ ফলত অসমত ভাওনাৰ লগত জড়িত উদ্যোগসমূহ পুনৰ উজ্জীৱিত কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰে। ভাওনাৰ পোছাক, মুখা শিল্প, ৰূপ সজ্জা, শব্দ-পোহৰৰ উদ্যোগ আদিয়ে ভাওনাৰ জৰিয়তে অৰ্থ উপাৰ্জন কৰিবলৈ আৰম্ভ কৰে। শেহতীয়াকৈ ভাওনাৰ অভিনয় শিল্পীসকলৰো মাননীৰ ব্যৱস্থা হ'ল। ফলত এক সামাজিক উদ্যোগ পুনৰ গঢ়ি উঠিল। বৰ্তমান উজনি অসমত প্ৰায় ৬০ টা ভাওনা দল আছে। এই ভাওনা দলসমূহে নিৰ্দিষ্ট মূল্যৰ বিনিময়ত ভাওনা প্ৰদৰ্শন কৰে।

ভাওনা প্ৰতিযোগিতাত একে লগে হাজাৰ হাজাৰ দৰ্শকে ভাওনা উপভোগ কৰে। ফলত একোখন ভাওনাই দৰ্শকক নৈতিক শিক্ষা প্ৰদান কৰে। নাটৰ কাহিনীৰ মাজত থকা সত্য-সুন্দৰ, দয়া-ক্ষমা, উপকাৰ-অপকাৰ, অহিংসা আদি ভাৱ মানুহৰ মনত জাগ্ৰত কৰে। এনে নৈতিকতাৰ মাজেদিয়ে ভাওনা একোখনে দৰ্শকৰ মনত আধ্যাত্মিকতাৰ বীজ স্থাপন কৰে। প্ৰতিযোগিতামূলক ভাওনা হোৱাৰ হেতুকে শুদ্ধ ৰীতিত উপস্থাপন, অভিনয় সুলভতা, গীত-নৃত্যৰ শুদ্ধ ৰূপ আদিৰ প্ৰতি বিচাৰকে গুৰুত্ব দিয়া দিশটো জড়িত হৈ পৰে। সেয়ে প্ৰতিযোগিতাৰ বাবেই পৈণত গায়ন, বায়ন, নাট্য চৰিত্ৰ, মুখা শিল্প আদিৰ ক্ষেত্ৰত অসমৰ নতুন এচাম শিল্পীৰ সৃষ্টি হ'ল। ফলত সত্ৰৰ

সাংস্কৃতিক দিশটোকে পুনৰ উজ্জীৱিত কৰাৰ ক্ষেত্ৰত আউনীআটী সত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰে। সাম্প্ৰতিক আউনীআটী সত্ৰৰ উপৰিও অসমৰ অন্যান্য প্ৰান্তত ভাওনা সমাৰোহ আয়োজন কৰা দেখা যায়। ইয়াৰ পৰা ক'ব পাৰি যে শংকৰদেৱে সৃষ্টি কৰা ভাওনাই সাম্প্ৰতিক সময়তো অসমৰ সমাজ ব্যৱস্থাত বহনক্ষম হৈ আছে আৰু গুৰুত্ব লাভ কৰি আছে। অৱশ্যে এই ক্ষেত্ৰত এটা প্ৰধান সমস্যা হ'ল সত্ৰীয়া গীত-নৃত্যৰ দৰেই যদি ভাওনাৰ ক্ষেত্ৰত একৰূপতা বা অঞ্চলভেদে মিলি নাথাকে তেন্তে আধুনিক ৰূপৰ ভাওনাই ভৱিষ্যেতে বিকৃত ৰূপ লোৱাৰ সম্ভাৱনা আছে।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ পৰিৱেশত পৰম্পৰাগত ভাৱে পৰিৱেশিত নৃত্য-গীত-ভাস্কৰ্য চৰ্চাই সাম্প্ৰতিক সময়ত সমাজত গুৰুত্ব লাভ কৰি আছে। ইয়াৰ মূলতে হ'ল— সত্ৰৰ পৰম্পৰাগত গীত-নৃত্য-বাদ্য তথা সমাদৰ লাভ কৰি থকা মুখা শিল্প, বেতৰ বিচনী, সিংহাসন আদি শিল্পকৰ্মই অসমীয়া মধ্য যুগৰ ইতিহাস সম্পৰ্কে সমাজত নিদৰ্শন দাঙি ধৰি আহিছে। যিসমূহ শিল্পকৰ্মৰ জৰিয়তে মধ্য যুগৰ অসমৰ সামাজিক কাৰ্য-কলাপ সম্পৰ্কে ধাৰণা কৰিব পাৰি। লগতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত দৈনন্দিনভাৱে ভাস্কৰ্য চৰ্চা, গীত-নৃত্য চৰ্চাৰ জৰিয়তে প্ৰতি বছৰে সত্ৰৰ প্ৰশিক্ষণ দিয়া ভকত বা ল'ৰাসকলৰ মাজতে কিছুমানক বায়ন, গায়ন, বৰবায়ন, বৰগায়ন, পাঠক, নামলগোৱা আদি উপাধি প্ৰদান কৰে। এই উপাধি পোৱাৰ পাছতে সেই নিৰ্দিষ্ট ব্যক্তিসকলে অন্যান্য সমাজত শিক্ষা প্ৰদানত আগভাগ লয়। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত এনে শিক্ষা দৈনন্দিন প্ৰদান কৰা দেখা যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত সমাজত সত্ৰীয়া সংস্কৃতিৰ দিশসমূহ প্ৰচাৰ কৰাৰ ক্ষেত্ৰত আউনীআটীসত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ এই ভূমিকা অতি গুৰুত্বপূৰ্ণ।

আউনীআটী সত্ৰ আৰু বৰপেটাসত্ৰৰ পৰিৱেশত এক গণতান্ত্ৰিক পদ্ধতিৰে সত্ৰ পৰিচালনা কৰা নীতি সাম্প্ৰতিক সময়ৰ সমাজ ব্যৱস্থাৰ বাবে অতি গুৰুত্বপূৰ্ণ দিশ। অসমৰ সমাজসমূহ সত্ৰক কেন্দ্ৰ কৰিয়ে পৰিচালনা কৰা হয় সেয়ে সত্ৰসমূহৰ এনে গণতান্ত্ৰিক পৰিচালনাই অসমৰ সমাজ ব্যৱস্থাত প্ৰভাৱ পেলাব। এই ক্ষেত্ৰত বৰপেটা সত্ৰৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া অতি উল্লেখযোগ্য। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ নিৰ্বাচনৰ পৰা পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক আদি পদৰ বাবে গণতান্ত্ৰিক পদ্ধতিৰে বৰ্তমান ভোট গ্ৰহণৰ ব্যৱস্থা দেখা যায়। এই বিষয়ে প্ৰথম অধ্যায়তে সত্ৰৰ গাঠনিক

দিশৰ কথা আলোচনা কৰোঁতে উল্লেখ কৰা হৈছে। বৰপেটা সত্ৰত গুৰু তিথি আৰু দৌল উৎসৱত সত্ৰৰ শৰণীয়া ভকতে বছৰি এক নিৰ্দিষ্ট পৰিমাণৰ দক্ষিণা দিয়ে। সেই দক্ষিণাৰ জৰিয়তে সত্ৰৰ ব্যৱস্থাপনা কৰ্ম, বিভিন্ন কৰ্মীসকলক বেতনৰ লগতে সত্ৰৰ হাটীসমূহৰ কোনো লোকক বিশেষ প্ৰয়োজনত ঋণ হিচাপেও প্ৰদান কৰা হয়। অৱশ্যে বৰপেটাসত্ৰৰ সত্ৰীয়া নিৰ্বাচন আদিৰ প্ৰক্ৰিয়াত সাম্প্ৰতিক বিভিন্ন ৰাজনৈতিক প্ৰভাৱে ক্ৰিয়া কৰা দেখা যায়। বৰপেটা সত্ৰত গুৰু তিথিৰ দিনকেইটাত হাটীসমূহে কৰ ভাৰ দিয়া পৰম্পৰা বৰ্তমানো দেখা যায়। কৰভাৰত চাউল, কুমুৰা, শাক ,পাচলি, নিমখ, দৈ, তামোল, পান আদি দিয়াৰ পৰম্পৰা। এই কৰভাৰসমূহ ভকতৰ মাজত বিতৰণ কৰে। এটা হাটীৰ আন হাটীৰ প্ৰতি থকা এই মৰম আৰু আত্মীয়ভাৱে শৃংখলিত সমাজত গঢ় দিয়াত ভূমিকা গ্ৰহণ কৰি আছে।

আউনীআটী সত্ৰতো গুৰু কৰ তোলা পৰম্পৰা আছে। সত্ৰৰ শৰণীয়া ভকতে বছৰি কৰ দিয়ে। এই কৰ উঠাবলৈ গাঁৱে গাঁৱে মেধি, পাচনি সকলক পঠাই। গাঁৱৰ পৰা তুলি অনা কৰসমূহ সত্ৰৰ ৰাজভঁৰালত এক অংশ ৰখা হয়। সত্ৰৰ চাৰি হাটীৰ ভকতৰ অসুবিধা, বিহু, উৎসৱ পৰ্বত সত্ৰৰ ভঁৰালৰ পৰা এই সম্পদসমূহ খৰচ কৰে। সত্ৰৰ পৰিৱেশত থকা এনে সমাজ শৃংখলিত কাৰ্য উল্লেখযোগ্য।

সত্ৰসমূহে সত্ৰৰ আশে পাশে এক ব্যৱসায়িক বাতাবৰণ সৃষ্টি কৰিছে। সাম্প্ৰতিক প্ৰেক্ষাপটত এই দিশটো বিশেষ উল্লেখযোগ্য। অসমৰ সত্ৰ ব্যৱস্থা বিশ্ব মানসপটত ধৰ্মীয় পৰ্যটনস্থলীলৈ পৰিৱৰ্তন হোৱাৰ পাছৰে পৰাই সত্ৰৰ চৌপাশত এক ব্যৱসায়িক পৰিৱেশ গঢ়ি উঠিছে। যাৰ জৰিয়তে সত্ৰৰ ভকত বা স্থানীয় ব্যক্তিৰ অৰ্থ উপাৰ্জনৰ এক পথ মুকলি হৈছে। সত্ৰসমূহেও নিজাববীয়া গ্ৰন্থৰ বিপনী, মিউজিয়াম, অতিথিশালা আদিৰ পৰা সামান্য পৰিমাণৰ অৰ্থ উপাজৰ্নৰ বাট মুকলি কৰিছে। লগতে সত্ৰৰ আশে পাশে এক বজাৰৰ পৰিৱেশ গঢ়ি স্থানীয় শিপিনীৰ কাপোৰ, মাটিৰ পাত্ৰ, সা-সজুলি, ধাতুৰ বস্তু, সিংহাখন আদি বিক্ৰী কৰি স্থানীয় ক্ষুদ্ৰ উদ্যোগীসকল লাভান্বিত হৈছে। বিশেষকৈ সত্ৰৰ উৎসৱ পাৰ্বণ, সমাৰোহ, পালনাম আদি অনুষ্ঠানে অৰ্থনৈতিক ভাৱে সত্ৰসমূহক স্বাৱলম্বী কৰাৰ দিশটো সাম্প্ৰতিক প্ৰেক্ষাপটত অতি গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত গড়মূৰ সত্ৰৰ তুলনাত আউনীআটী সত্ৰ আৰু বৰপেটা সত্ৰ আগবঢ়া। আউনীআটী সত্ৰই প্ৰতি বছৰে পালনাম, ৰাস

উৎসৱ, নামসমাৰোহ, ভাওনা সমাৰোহ আদি আয়োজন কৰাৰ লগতে সত্ৰৰ কাষত এক গ্ৰন্থ আৰু বাণিজ্য মেলাৰ আয়োজন কৰে। য'ত মাজুলীৰ স্থানীয় মানুহে দোকান পোহাৰ দি অৰ্থ উপাৰ্জন কৰি আহিছে। সেইদৰে বৰপেটা সত্ৰৰ দৌল যাত্ৰাটো স্থানীয় ব্যক্তিসকল ব্যৱসায়িক দিশৰ পৰা লাভান্বিত হোৱাতো সাম্প্ৰতিক সময়ত অতি গুৰুত্বপূৰ্ণ দিশ।

জন আৰু সম্পৰ্ক শব্দ সৰ্বসাধাৰণক সেৱা আগবঢ়োৱা প্ৰসংগত ব্যৱহৃত হৈছে। যিকোনো কাৰ্য স্থায়ী ৰূপত আত্মপ্ৰকাশ কৰিবলৈ মানুহৰ প্ৰয়োজন। সেয়ে আউনীআটী সত্ৰ , গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰসমূহে সমাজক কেন্দ্ৰ কৰি চলা দেখা যায়। অসমৰ সমাজ ব্যৱস্থাত ভিন্ন জাতি-জনগোষ্ঠীৰ মানুহে বসবাস কৰে। বিশেষকৈ জনজাতীয় মানুহৰ মাজত সত্ৰৰ সম্পৰ্কহে কিছুপৰিমাণে চৰ্চাৰ বিষয় হিচাপে দেখা যায়। এই অধ্যয়নৰ অন্তৰ্গত মাজুলী স্থিত গড়মূৰ আৰু আউনীআটীসত্ৰৰ আশে পাশে বহু মিছিং, সোনোৱাল কছাৰী জনজাতীয় লোকে বাস কৰে। বৰপেটা সত্ৰৰ আশে পাশে বহু মুছলমান আৰু বাঙালী সম্প্ৰদায়ৰ মানুহে বাস কৰে। এই জনজাতীয় আৰু ভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত সত্ৰৰ জনসম্পৰ্ক স্থাপন সাম্প্ৰতিক উল্লেখযোগ্য বিষয়।

মাজুলী বিভিন্ন জাতি-জনগোষ্ঠীৰে সমৃদ্ধ এখন ঠাই। মাজুলীৰ সত্ৰ সংস্কৃতিয়ে এই জাতি-জনগোষ্ঠীসমূহক এক কৰি ৰাখিছে। মাজুলীত মিছিং জনগোষ্ঠীয়লোকৰ সংখ্যাই সৰ্বাধিক। অৱশ্যে ঠায়ে ঠায়ে সোণোৱাল কছাৰী, দেউৰী আদি জনগোষ্ঠীয় সম্প্ৰদায়ো আছে। এই জনগোষ্ঠীয় লোকসকলে নিজৰ সমাজ-সংস্কৃতিৰ বহুতো অংগ পৰিত্যাগ কৰি সত্ৰ সংস্কৃতিৰ লগতে বিলীন হৈ গৈছে।

মাজুলীৰ মিছিং জনগোষ্ঠীসকলৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি দিশবোৰত সত্ৰসমূহে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে। মিছিংসকলে মাজুলীৰ বিভিন্ন ঠাইত গাঁও পাতি বসবাস কৰি আছে। তেওঁলোকৰ এই গাঁওবোৰত বৰ্তমান মূৰং ঘৰতকৈয়ো নামঘৰহে বেছিকৈ দেখা যায়। তেনেদৰে তেওঁলোকৰ বহুতো মানুহে সত্ৰত শৰণ লৈছে। এই জনগোষ্ঠীৰ লোকসকলে অঙ্কীয়া ভাওনা পাতে, ভাগৱত পাঠ কৰে, গায়ন-বায়ন বা সত্ৰীয়া নৃত্যও তেওঁলোকে জানে। সত্ৰৰ ৰীতি-নীতিমতেই জনগোষ্ঠীসকলে ধৰ্মীয় কাৰ্য পালন কৰে। সেইদৰে সত্ৰসমূহত কৰ-কাটলো দিয়ে। উচ্চ সম্প্ৰদায়ৰ ব্যক্তিসকলে যদিও জনগোষ্ঠীয় সমাজত সত্ৰৰ প্ৰভাৱ ইতিবাচক বুলি উল্লেখ কৰে; বাহিৰৰ পৰা

চালে সত্ৰ সংস্কৃতিয়ে জনগোষ্ঠীয় লোকক বেছ আদৰ-মৰমেৰে ৰাখিবলৈ চেষ্টা কৰা যেন লাগিলেও কিন্তু জনগোষ্ঠীয় লোকসকলে জনগোষ্ঠীয় সমাজবোৰত সত্ৰ সংস্কৃতিৰ প্ৰভাৱ সম্পৰ্কত ধাৰণা কৰা অনুভৱবোৰ কিছু বেলেগ।

মাজুলীৰ এজন সমাজসেৱক উমাকান্ত টাকুৰে মিছিং সমাজত সত্ৰ সংস্কৃতিৰ প্ৰভাৱ সম্পৰ্কে এনেদৰে কৈছিল—“জনগোষ্ঠীয় সমাজত সত্ৰ সংস্কৃতিৰ প্ৰভাৱ বৰ এটা ইতিবাচক বুলি ক'ব নোৱাৰি। এতিয়াও জনগোষ্ঠীসমূহৰ পৰিচয় বুজাবলৈ ভাষিক অসমীয়াসকলে বিভিন্ন শব্দ ব্যৱহাৰ কৰে। সত্ৰসমূহে এতিয়াও বহুতো ৰীতি-নীতি আগৰ দৰেই ধৰি ৰাখিছে। অৱশ্যে শঙ্কৰ-মাধৱদেৱৰ আদৰ্শৰাজি সত্ৰসমূহে ধৰি ৰাখিব পাৰিছে নে নাই সেইয়া ভাবিবলগীয়া বিষয়। একাংশ সত্ৰ কেৱল ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিৰ ঠেক গণ্ডীৰ মাজত সীমাবদ্ধ। সেয়েহে তেওঁলোকে বহু সময়ত জনগোষ্ঠীয় লোকসকলক মূল্য দিব নিবিচাৰে। জনগোষ্ঠীসমূহক সত্ৰসমূহে হীন দৃষ্টিৰে চাই। মিছিং জনগোষ্ঠীসমূহে সত্ৰসমূহক যিমান আন্তৰিকতাৰে গ্ৰহণ কৰে; সত্ৰসমূহে কিন্তু তেনেদৰে নকৰে।”

জনগোষ্ঠীয় সমাজত সত্ৰৰ প্ৰভাৱ সম্পৰ্কত মাজুলীৰ আন এজন সমল ব্যক্তি তুলসী ৰাজখোৱাৰ বক্তব্যৰ সাৰাংশ আছিল এনেধৰণৰ—“সত্ৰানুষ্ঠান বুলিলেই আমাৰ মনলৈ ধৰ্মীয় অনুষ্ঠানৰ কথাহে আহে। কিন্তু সত্ৰ সামাজিক অনুষ্ঠান হোৱা উচিত। সত্ৰসমূহে এটা সময়ত বহুতো পৰম্পৰা মানি চলিছিল যদিও বৰ্তমান সময়ত বহু সত্ৰ উদাৰ হ'বলৈ শিকিছে। সত্ৰসমূহ বহু পৰিমাণে বান্ধোনৰ মাজত আৱদ্ধ হৈ থাকিব লাগে কিন্তু বৰ্তমান সত্ৰৰ ধৰ্মীয় গোড়ামি বহু পৰিমাণে কমি আহিছে। বৰ্তমান সময়ত জনগোষ্ঠীৰ লোকসকলকো সত্ৰসমূহে আকোঁৱালি লৈছে। মাজুলীৰ জনজাতীয় লোকসকল কম-বেছি পৰিমাণে বিভিন্ন সত্ৰৰ শিষ্য। মাজুলীৰ সোণোৱাল কছাৰীসকল আউনীআটী সত্ৰৰ লগত বিশেষভাৱে জড়িত। জনগোষ্ঠীৰ লোকসকলেও ভাওনা, গায়ন-বায়ন, সত্ৰীয়া নৃত্য, ভাগৱত পাঠ আদি সুন্দৰ ৰূপত অনুষ্ঠিত কৰি আহিছে। তেওঁলোকৰ প্ৰায়ভাগ গাঁৱতে নামঘৰ আছে। তেওঁলোকেও হৰিনাম লয়। সত্ৰৰ নিৰ্মালি গ্ৰহণ কৰে। বিপ্লৱী ধৰ্মগুৰু গড়মূৰ সত্ৰৰ পূৰ্বৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ১৯৩১ চনতেই মিছিং জনগোষ্ঠীসকলক সত্ৰীয়া সংস্কৃতিৰ অন্তৰ্গত কৰিবলৈ গোহাৰি পত্ৰ প্ৰকাশ কৰিছিল। গোস্বামীৰ

মতে মিছিংসকল অনাৰ্য নহয়। তেওঁলোকো সত্ৰীয়া সমাজ-সংস্কৃতিৰে অন্তৰ্গত মানুহ। কিছু সদাচাৰ পালন কৰি মিছিংসকলো সত্ৰৰ কাম-কাজৰ লগত সম্পৰ্কিত হ'ব পাৰে। সত্ৰই ধৰ্মীয় উদাৰতাৰ চিন স্বৰূপে ইতিমধ্যে জেংৰাইমুখত 'বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়' প্ৰতিষ্ঠা কৰিছে।'

মাজুলীৰ লোকসকলে আজিলৈকে সত্ৰৰ ৰীতি-নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে নেকি বুলি প্ৰশ্ন কৰা হৈছিল। সেই প্ৰশ্নৰ উত্তৰত ৰমেন গামে কৈছিল যে—"সত্ৰৰ মানুহখিনিয়ে জনগোষ্ঠীয়সকলক গুৰুত্ব নিদিয়াত জেংৰাইমুখ অঞ্চলৰ একাংশ মিছিং জনগোষ্ঠীৰলোকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। জেংৰাইমুখত খ্ৰীষ্টান ধৰ্ম লোৱাৰ বাবেহে সত্ৰসমূহৰ মাজত সজাগতাৰ সৃষ্টি হয় আৰু তেতিয়াৰে পৰা তেওঁলোকে কিছু কিছু ক্ষেত্ৰত উদাৰতা দেখুৱাবলৈ লয়।"

মাজুলীৰ আউনীআটী আৰু গড়মূৰ সত্ৰ অৱেশ্য জনজাতীয় লোকসকলৰ প্ৰতি সহজ-সৰল ৰূপত দেখা যায়। দুয়োখন সত্ৰতে জনজাতীয় লোকৰ প্ৰৱেশ আজিৰ সময়ত সকলোৰে প্ৰতি মুকলি। জনজাতীয় লোকৰ গাঁৱত নামঘৰ প্ৰতিষ্ঠা, ধৰ্মীয় অনুষ্ঠান আয়োজন, সজাগতা সভা আদিৰ ব্যৱস্থা সত্ৰৰ ফালৰ পৰা কৰা দেখা যায়। জনজাতীয় মানুহৰ লগত যাতে যোগাযোগ কৰিব পাৰে তাৰ বাবে আউনীআটী সত্ৰত জনজাতীয় গাঁৱসমূহৰ একোজন মেধিৰ দৰে পদবী সৃষ্টি কৰি তেওঁক সত্ৰৰ কাম কাজত মুখীয়াল হিচাপে বাচনি কৰাৰ এক পদক্ষেপ বৰ্তমানো আছে। বিশেষকৈ আউনীআটী সত্ৰই বান্ধৰদেৱাত প্ৰতিষ্ঠা কৰা শাখা সত্ৰত অ ৰুণাচলৰ দফলা, নিচি জাতিৰ মানুহক নিমন্ত্ৰণ কৰি আনি শৰণ আৰু নিৰ্মালি প্ৰদানেৰে সম্প্ৰীতিৰ বাৰ্তা কঢ়িওৱা দেখা যায়। জনজাতীয় সমাজৰ লগত সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সত্ৰৰ দ্বিতীয় সত্ৰাধিকাৰ কেশৱ চন্দ্ৰদেৱে ভূমিকা লৈছিল। তাৰ পাছতেই কছাৰী, চুতীয়া, ঠেঙাল-কছাৰী, মিকিৰ, আহোম, মিছিং নগা আদি জনজাতীয় লোকক শৰণ-ভজন দি সত্ৰীয়া কৰিছিল। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ বিষ্ণুচন্দ্ৰ দেৱগোস্বামীয়ে জনজাতীয় লোকৰ মাজত একোখনকৈ সংগীত বিদ্যালয় স্থাপন কৰিছিল। সাংস্কৃতিক -শৈক্ষিক ক্ষেত্ৰতো জনজাতীয় লোকসকলক শিক্ষিত কৰাৰ ক্ষেত্ৰত আউনীআটীসত্ৰৰ পদক্ষেপ দেখা পোৱা যায়।

মাজুলীৰ দৰেই বৰপেটা ঠাইখনত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰে। বৰপেটা ঠাইখন আছিল বৈষ্ণৱ ধৰ্মীয় গুৰুসকলে আটাইতকৈ বেছি সময় অতিবাহিত কৰা স্থান। তাতেই কেইবাখনো

সত্ৰ স্থাপন হয়। মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰখনো এখন উল্লেখযোগ্য সত্ৰ। সত্ৰখনৰ আশে পাশে হীৰা সম্প্ৰদায়, কৈৱৰ্ত্ত, কমাৰ, কুমাৰ, বনিয়া আদি জাতিৰ লোক আছে। লগতে বঙালী আৰু মুছলমান সম্প্ৰদায়ৰ মানুহে বসবাস কৰি আহিছে। মুছলমানসকলৰ বাহিৰে আন সকলো সম্প্ৰদায়েই সত্ৰৰ কাম কাজৰ লগত জড়িত। সত্ৰৰ সকলো ধৰণৰ ধৰ্মীয় কামতেই মুছলমানসকলৰ বাদে সকলো জাতিকে অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে। সত্ৰখনৰ কাম-কাজ গণতান্ত্ৰিক হিচাপে পৰিচালনা হয় সেয়ে সকলো সম্প্ৰদায়ৰ লোকে সেই অধিকাৰ সাব্যস্ত কৰে। সত্ৰখনৰ এনে কাৰ্যই পাৰস্পৰিক সহযোগিতা গঢ় দিয়াত ভূমিকা গ্ৰহণ কৰিছে।

অসমৰ সত্ৰসমূহৰ ভিতৰত এক উল্লেখযোগ্য সত্ৰ হ'ল— লখিমপুৰ জিলাৰ অন্তৰ্গত চাণ্ডিনী সত্ৰ। সত্ৰখন মিছিং জনজাতিৰ গাঁৱৰ মাজতেই আছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এই সত্ৰখন পৰিচালনা কৰে মিছিং সম্প্ৰদায়ৰ ব্যক্তিসকলে। ইয়াৰ সত্ৰাধিকাৰজনো মিছিং সম্প্ৰদায়ৰ। এই সত্ৰখনৰ লগত বৰপেটা সত্ৰৰো সম্পৰ্ক দেখা যায়। বৰপেটা সত্ৰৰ ভকতসকলে এই জনজাতীয় সত্ৰখনত থকা-খোৱা আদিৰ যোগেদি সম্প্ৰীতিৰ বাৰ্তা দিয়া দেখা যায়। সত্ৰখনৰ ভকতসকলকৰ লগত অনুষ্ঠান প্ৰতিষ্ঠানত মত-বিনিময় হয়।

সাম্প্ৰতিক বিজ্ঞান প্ৰযুক্তিৰ যুগত সত্ৰসমূহ সমাজত বহনক্ষম হৈ থাকিব হ'লে সত্ৰসমূহে আলোচিত কৰণীয় কাৰ্যসমূহ সুচাৰুকৈ সম্পন্ন কৰা প্ৰয়োজন। জাতি-জনগোষ্ঠী বিচাৰ নকৰাকৈ পাৰস্পৰিক সম্পৰ্ক আৰু সহযোগিতাৰে আগবাঢ়িলে অসমৰ সকলো জাতি-জনগোষ্ঠীয়ে ক্ৰমে ক্ৰমে সত্ৰীয়া ৰীতি-পৰম্পৰাক আঁদৰি ল'ব সেয়া নিশ্চিত।

## ৫.২ সত্ৰ সংস্কৃতিৰ ভৱিষ্যৎ

অসমৰ সামাজিক-সাংস্কৃতিক আদি বিভিন্ন দিশত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে জনগোষ্ঠীয় লোকসকলে। এই জাতি-জনগোষ্ঠীৰ বাৰেবৰণীয়া সংস্কৃতিৰ মাজতেই নিহিত হৈ আছে অসমৰ গৌৰৱ আৰু স্বাভিমান। জনগোষ্ঠীয়লোকসকল সাধাৰণতে অৰ্ধশিক্ষিত আৰু নিৰক্ষৰ; সেয়েহে সমাজৰ বিভিন্ন দিশত জনগোষ্ঠীয় লোকসকলৰ প্ৰতিনিধিত্বৰ সংখ্যা কম। সমাজ ব্যৱস্থাৰ তাত্বিক কথাবোৰতো তেওঁলোক বৰ বেছি চিন্তিত নহয়। তেওঁলোকৰ এনে দুৰ্বলতাৰ সুযোগ লৈ

অতীতৰে পৰাই তথাকথিত উচ্চ শ্ৰেণীৰ জনসাধাৰণে জনগোষ্ঠীয় লোকসকলক হেয় জ্ঞান কৰি আহিছে। আজিও জনগোষ্ঠীয় লোকসকলে বসবাস কৰা অঞ্চলবোৰ তুলনামূলকভাৱে অন্যান্য অঞ্চলতকৈ পিছপৰা। আধুনিক সা-সুবিধা, শিক্ষা পদ্ধতি, জীৱন নিৰ্বাহৰ আধুনিক প্ৰণালীসমূহৰ পৰাও তেওঁলোক বঞ্চিত। গৰিষ্ঠ সংখ্যক জনগোষ্ঠীয়লোকে আজিও পৰম্পৰাগতভাৱেই জীৱন নিৰ্বাহ কৰি আছে। অৰ্থনৈতিক দিশতো তেওঁলোক স্বচ্ছল নহয়। নদীকেন্দ্ৰিক সভ্যতাৰ পৰা আজি পৰ্যন্ত তেওঁলোক মুক্ত হ'ব পৰা নাই। সেইদৰে তেওঁলোকৰ প্ৰধান বৃত্তি হৈছে কৃষি।

মাজুলীত বসবাস কৰা মিছিং জনগোষ্ঠীটোলৈ মন কৰিলে এই কথা প্ৰতীয়মান হয় যে— মাজুলীত বসবাস কৰা মিছিংসকলো আধুনিক শিক্ষা-দীক্ষা আৰু অন্যান্য সা-সুবিধাবোৰৰ পৰা বঞ্চিত। ব্ৰহ্মপুত্ৰ নদীৰ পাৰতেই তেওঁলোকৰ সমাজ ব্যৱস্থা বৰ্তি আছে। আজিও মাজুলীৰ ৯০ শতাংশ লোকেই পৰম্পৰাগত কৃষি পদ্ধতিৰে জীৱন নিৰ্বাহ কৰি আছে। অৱশ্যে শেহতীয়াকৈ জনগোষ্ঠীয় লোকসকলৰ মাজত আত্ম সচেতনতা বৃদ্ধি পাইছে। বড়ো জনগোষ্ঠীৰ লোকসকলে পৃথক ৰাজ্য বড়োলেণ্ডৰ দাবী কৰিছে। বিভিন্ন জনগোষ্ঠীবোৰে জনজাতীয় স্বায়ত্ত পৰিষদৰ দাবী কৰিছে। মিছিং স্বায়ত্তশাসিত পৰিষদ, দেউৰী স্বায়ত্তশাসিত পৰিষদ আদি গঠন হৈছে। গতিকে বৰ্তমান সময়ত জনগোষ্ঠীয় লোকসকল নিজৰ অধিকাৰ সম্পৰ্কে যথেষ্ট সচেতন হৈছে।

মাজুলীত তুলনামূলকভাৱে মিছিং আৰু সোনোৱাল কছাৰীসকলৰ সংখ্যাই বেছি। তৎস্বত্বেও এই জনগোষ্ঠীয় লোকসকল মাজুলীত বিভিন্ন দিশত অৱহেলিত হৈ আহিছে। এই লোকসকলে সত্ৰসমূহৰ পৰা যি ধৰণে গুৰুত্ব পাব লাগিছিল, সেয়া পোৱা নাই। সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন কাম-কাজৰ পৰা তেওঁলোকক পাকে-প্ৰকাৰে আঁতৰাই ৰখা পৰিলক্ষিত হয়, যাৰ বাবে সত্ৰৰ প্ৰতি একাংশ জনগোষ্ঠীয় লোকৰ মাজত সচেতনতা বৃদ্ধি পাইছে। সেই বাবেই বৰ্তমান ধৰ্মান্তৰকৰণৰ দৰে ঘটনাৰ সূত্ৰপাত হৈছে।

মাজুলীৰ এই জনগোষ্ঠীয় লোকসকলৰ অবিহনে সত্ৰসমূহে আগন্তুক দিনত নিজৰ সত্ৰীয়া-সংস্কৃতি, পৰম্পৰা আদি বৰ্তাই ৰখাত যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব। শিক্ষিত লোকসকলে তথাকথিত আধুনিকতাক গ্ৰহণ কৰাৰ সমান্তৰালভাৱে বহুতো প্ৰাচীন পৰম্পৰা তথা সত্ৰীয়া সংস্কৃতি ত্যাগ কৰিবলৈ বাধ্য হৈছে, গতিকে এই যাত্ৰা চলি থাকিলে এসময়ত উচ্চ বৰ্ণৰ মানুহখিনিৰ সংখ্যা কমি

আহিব। এনে পৰিস্থিতিত সত্ৰসমূহে জাতি ধৰ্মৰ ভেদাভেদ নাৰাখি জনগোষ্ঠীয় লোকসকলক আদৰি লোৱাতো প্ৰয়োজনীয়। তেতিয়াহে সত্ৰসমূহৰ সামূহিক শক্তি বৃদ্ধি পাব। ইয়াৰউপৰি এটা কথা ক'বই লাগিব যে জনগোষ্ঠীয় লোকসকলে যি আন্তৰিকতাৰে সত্ৰসমূহৰ আদৰ্শৰাজি গ্ৰহণ কৰিবলৈ ইচ্ছুক; সত্ৰই তেওঁলোকক যথোচিত গুৰুত্ব দিলে অনাগত দিনত এই জনগোষ্ঠীয় লোকসকলে সত্ৰ সংস্কৃতিক যে বিশেষভাৱে সমৃদ্ধ কৰিব সেই কথা নিশ্চিতভাৱে ক'ব পাৰি।

সত্ৰসমূহ কিছুমান নিৰ্দিষ্ট আৰু নিৰ্ধাৰিত নীতি-নিয়মৰ মাজত সীমাবদ্ধ। সেয়েহে তেওঁলোকে বহু সময়ত পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজতে আৱদ্ধ হৈ থাকিব লাগে। ভকতসকলো বহুতো বাধ্য-বাধকতাৰ মাজত থাকিব লাগে। কিন্তু এটা কথা মন কৰিব লাগিব যে সময় পৰিৱৰ্তন লগে লগে কিছু কিছু দিশত সত্ৰই উদাৰতা আৰু জাতি- ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সংস্কাৰমুখিতাৰ আশ্ৰয় ল'বই লাগিব। সংস্কৃতি বোৱতী নদীৰ দৰে। আবদ্ধ খালৰ পানী যেনেদৰে দুৰ্গন্ধময় হয়, ঠিক তেনেদৰে অতীতকে খামুচি ধৰি থকা সংস্কৃতিবোৰো বৰ্তমানৰ লগত মিলিব নোৱাৰি লুপ্তপ্ৰায় হৈ পৰে। গতিকে সত্ৰ সংস্কৃতি জীয়াই ৰখাৰ স্বাৰ্থত আৰু নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলাৰ স্বাৰ্থত সত্ৰৰ কেতবোৰ ৰীতি-নীতিৰ পৰিৱৰ্তন সাধন কৰা উচিত। অৱশ্যে সত্ৰই অসমীয়া সংস্কৃতিৰ ঐতিহ্য আৰু স্বাভিমান ৰক্ষা কৰি থকা এটি অনুষ্ঠান হিচাপে কিছুমান নিৰ্ধাৰিত নীতি-নিয়ম মানি চলিবও লাগিব, এই নীতি-নিয়মবোৰ সত্ৰৰ আভ্যন্তৰীণ বিষয় হোৱা প্ৰয়োজনীয়। ৰীতি-নীতিবোৰ বাধ্য-বাধকতালৈ যেতিয়াই লৈ যোৱা হয়, তেতিয়াই বিতৰ্কৰ সূত্ৰপাত হয়।

সত্ৰসমূহে এটা কথা মন কৰিব লাগিব যে মানৱতাবাদক যেন সত্ৰৰ ৰীতি-নীতিবোৰে অৱমাননা নকৰে। মানুহক মানুহ হিচাপে মূল্য দিবলৈ সত্ৰসমূহে পাৰ্যমানে যত্ন কৰা উচিত। শঙ্কৰ-মাধৱে যি ধৰ্মীয় উদাৰতাৰে জাতি-বৰ্ণ বিচাৰ নকৰি সকলোকে একত্ৰিত কৰিছিল, ঠিক সেইদৰে সত্ৰসমূহেও ধৰ্মীয় গোড়ামিবোৰ ত্যাগ কৰি একতাৰ দোলেৰে সকলোকে বান্ধি ৰাখিবলৈ চেষ্টা কৰা দৰকাৰ। বৰপেটা সত্ৰত এতিয়াও নাৰীৰ প্ৰৱেশক লৈ নানা বিতৰ্কৰ সূত্ৰপাত হৈয়ে আছে। পুৰুষ-নাৰীৰ সম অধিকাৰৰ বিষয়টোত সত্ৰসমূহে গুৰুত্ব দিব লাগে।

এতিয়াও মাজুলীৰ সত্ৰবোৰত সকলো জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একেলগে বহি সত্ৰৰ প্ৰসাদ বা আহাৰ খাব পৰা এটা পৰিৱেশৰ সৃষ্টি হোৱা নাই। কেৱল সত্ৰত কিয় আমাৰ প্ৰত্যেকখন

গাঁৱত থকা নামঘৰবোৰতো জাত-পাতৰ বিচাৰ চলিয়েই আছে। জনগোষ্ঠীয় লোকসকলক অৱহেলা কৰিয়েই থকা হৈছে। জনগোষ্ঠীৰ মানুহে গৈ সত্ৰত ভাওনা কৰিছে বা নিজৰ প্ৰচেষ্টাতো ভাওনা, গায়ন-বায়ন আদিবোৰ কৰিছে যদিও আজিও সকলো শ্ৰেণীৰ মানুহ মিলি একেলগে ভাওনা পৰিৱেশন কৰিব পৰা এটি অৱস্থাৰ সৃষ্টি হোৱা নাই। সেইদৰে ভাওনাত কৃষ্ণ বা বলোৰামৰ চৰিত্ৰৰ বাবে এতিয়াও কেৱল তথাকথিত উচ্চ শ্ৰেণীৰ ব্যক্তিহে নিৰ্বাচন কৰা হয়। সত্ৰৰ সত্ৰাধিকাৰ পদত বিশেষ শ্ৰেণীৰ বাদে বেলেগ শ্ৰেণীৰ ব্যক্তি কিয় অধিষ্ঠিত হ'ব নোৱাৰে বা সেই আসনত তথাকথিত উচ্চ শ্ৰেণীৰ ব্যক্তিয়ো অধিষ্ঠিত হ'ব পৰা নাই? সত্ৰই ডাইনী হত্যা ৰোধৰ বাবে কাম কৰা বুলি সত্ৰৰ পৰা প্ৰকাশিত গ্ৰন্থত উল্লেখ আছে। দুৰ্গতসকলক সহায়-সাহাৰ্য কৰিছে বুলিও বিভিন্ন সময়ত বাতৰি পৰিৱেশন হৈছে; এইবোৰ সত্ৰৰ ইতিবাচক দিশ। কিন্তু আজিও জনগোষ্ঠীয়সকলৰ পৰা সত্ৰৰ হাটীবোৰত এজন ভকত গৈ থাকিব পৰা অৱস্থা হোৱা নাই কিয়? সত্ৰৰ এনে বৈষম্যমূলক ৰীতিৰ অৱসান ঘটাৰ নিশ্চয় প্ৰয়োজন আছে। জনগোষ্ঠীয় লোকসকলৰ পৰা যোগ্য ব্যক্তিজনে সত্ৰৰ বিষয়ববীয়া হ'ব পৰা এটা পৰিৱেশ কোনোবা দিনা হ'বনে? এনে দিশবোৰৰ আলোচনা-পৰ্যালোচনাই সাম্প্ৰতিক সময়ৰ ধৰ্মীয় সমাজ ব্যৱস্থাত কেনেদৰে প্ৰভাৱ পেলাব, সেইয়া চিন্তনীয় বিষয়।

সত্ৰই জনগোষ্ঠীয় লোকসকলক আদৰি নোলোৱাৰ মূলতে জনগোষ্ঠীয় লোকসকলৰ খাদ্যাভ্যাসৰ প্ৰসংগটোও আছে। কাৰণ মিছিংসকলে এনে কিছু খাদ্য গ্ৰহণ কৰে, যিবোৰ সত্ৰীয়া সংস্কৃতিৰ ঘোৰ বিৰোধী। গতিকে সত্ৰই জনগোষ্ঠীয় লোকসকলক সত্ৰীয়া সংস্কৃতিৰ আওঁতালৈ অনাৰ আগতে এই খাদ্যবোৰ বৰ্জন কৰিবলৈ বাধ্য কৰে। গতিকে বহুতো জনগোষ্ঠীয় লোকে সত্ৰ সংস্কৃতিৰ ৰীতি-নীতিৰ মাজত থাকিবলৈ নিবিচাৰে। কাৰণ কোনো জাতিয়েই নিজস্বতাক বিসৰ্জন দি আনৰটো সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব নোখোজে। সত্ৰই যেনেদৰে নিজৰটো বৰ্তাই ৰখাৰ পোষকতা কৰে, ঠিক জনগোষ্ঠীবোৰেও নিজৰ সভ্যতা সংস্কৃতিকো বৰ্তাই ৰাখিবলৈ বিচাৰে। গতিকে খাদ্যৰ বিষয়টোক মুখ্য কৰি জনগোষ্ঠীয়লোক আৰু সত্ৰৰ মাজত যি সংঘাতৰ সৃষ্টি হয়, তাৰ এটা ইতিবাচক সমাধান হোৱা প্ৰয়োজনীয়।

বৰ্তমান গোলকীকৰণ, বিশ্বায়ন, প্ৰযুক্তিবিদ্যাৰ যুগ। বহুতো বিষয় আমি নতুনকৈ ভাবিবৰ

হ'ল। আমি অত্যাধিক গুৰুত্ব দিয়া এই ধৰ্মীয় প্ৰসংগবোৰে আমাৰ সমাজ জীৱনক কি কি দিশত সমৃদ্ধ কৰিছে সেই বিষয়বোৰো পৰ্যালোচনা কৰিবৰ হ'ল। কাৰণ যি আধুনিকতাক আমি ধৰ্মীয় দৃষ্টিৰে অৰ্থহীন বুলি সমালোচনা কৰিছোঁ, কিন্তু ব্যৱহাৰিক জীৱনত ধৰ্মতকৈয়ো সেই আধুনিকতাৰহে প্ৰয়োজনীয়তা বেছি। তেনেকৈয়ে আমি কেৱল অসম মুলুকৰ মাজত থাকিয়েই জাত-পাতৰ বিতৰ্ক কৰি থকাতকৈ সাৰ্বজনীন উদাৰতাবোধৰ প্ৰসাৰ ঘটাবলৈহে চেষ্টা কৰিব লাগে। বৰ্তমান সমাজত মানৱতাবোধৰ প্ৰসাৰ ঘটোৱাৰহে প্ৰয়োজন আছে বুলি অনুভৱ কৰোঁ। সত্ৰ যিহেতু এটি সামূহিক অনুষ্ঠান, সেয়েহে সত্ৰৰ পৰাই জাতি-ধৰ্ম-বৰ্ণৰ বৈষম্য আঁতৰি সকলো জাতি-জনগোষ্ঠীয়ে এককভাৱে পৰিচয় দিব পৰা এটা অৱস্থাৰ সূচনা হ'ব লাগে। তেতিয়াহে শঙ্কৰ-মাধৱে যি লক্ষ্য আৰু উদ্দেশ্যৰে সত্ৰ বা নামঘৰবোৰ প্ৰতিষ্ঠা কৰিছিল, সেই লক্ষ্য আৰু উদ্দেশ্যই সফলতা লাভ কৰিব। নহ'লে বৰ্তমানৰ দৰেই যদি আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰবোৰে নিজৰ পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজতেই সীমাবদ্ধ হৈ থাকে, তেন্তে জনগোষ্ঠীয়লোকসকল যে সত্ৰৰ পৰা আঁতৰি আহিব বা পুনৰ ধৰ্মান্তৰকৰণৰ দৰে কাৰ্য সংঘটিত নহ'ব তাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

সাম্প্ৰতিক অসমৰ নিবনুৱা সমস্যা যি ধৰণে বৃদ্ধি পাইছে, এই সমস্যা দূৰ কৰাত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই এক পৰিকল্পনা কৰিব পাৰে। আউনীআটী সত্ৰ আৰু বৰপেটা সত্ৰৰ যথেষ্ট মাটি আছে। এই মাটিসমূহত ক্ষুদ্ৰ উদ্যোগ গঢ়াৰ পৰিকল্পনা সত্ৰকেইখনে কৰিব পাৰে। কুটীৰ শিল্পৰ, ভাস্কৰ্য চৰ্চাৰ এক উদ্যোগ গঢ়ি তুলিলে যথেষ্ট নিবনুৱা ব্যক্তিয়ে সংস্থাপন পাব। সত্ৰকেইখনেও ভৱিষ্যত সমাজক প্ৰতিনিধিত্ব কৰি থাকিব পাৰিব। এনে কাৰ্যৰ জৰিয়তে মানুহৰ মাজত সত্ৰৰ জনপ্ৰিয়তা অধিক বৃদ্ধি পাব। সমাজৰ প্ৰতি যে সত্ৰসমূহ দায়বদ্ধ তথা অসমীয়া সমাজ উন্নতিৰ বাবেই যে সত্ৰসমূহ আজিও বৰ্তি আছে সেই কথা প্ৰকাশ পাব। এনে কাৰ্যই যে নৱ-প্ৰজন্মৰ মাজত সত্ৰসম্পৰ্কে এক ভাল প্ৰভাৱ পৰিব সেয়া নিশ্চিত।

পৰ্যটনৰ ক্ষেত্ৰত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই বিশেষ পৰিকল্পনা কৰিব পাৰে। পাঁচশ বছৰীয়া এটা সংস্কৃতিত পৰিণত হোৱা ধৰ্ম অনুষ্ঠানৰ বাবেই বহুসময়ত সত্ৰত পৰ্যটকৰ সমাগম দেখা যায়। পৰ্যটকসকল কেৱল এদিন বা দুদিনৰ বাবেহে সত্ৰ পৰিদৰ্শন কৰিবলৈ যায়। সেয়ে পৰ্যটকসকলে এদিন দুদিনতে সত্ৰ-সংস্কৃতিৰ সম্পৰ্কে আভাস পোৱাটো সম্ভৱ নহয়।

গতিকে প্ৰতিদিনে সত্ৰত এক নিৰ্দিষ্ট সময়ত সত্ৰৰ সাংস্কৃতিক দিশসমূহৰ কম সময়ৰ বাবে পৰিৱেশন কৰাৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ জৰিয়তে পৰিৱেশন কৰা শিল্পীসকলক এক মাননী দিয়াৰ ব্যৱস্থাৰে সংস্থাপনৰ সুবিধা দিব পাৰে লগতে পৰ্যটকসকলক সত্ৰীয়া সংস্কৃতিৰ এক আভাস তুলি ধৰিব পাৰে। অৱশ্যে আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰই পৰ্যটকৰ বাবে থকা খোৱাৰ ব্যৱস্থা কৰিছে যদিও পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ সকলো সা-সুবিধা প্ৰদানৰ ব্যৱস্থাপনা কৰা উচিত।

আউনীআটী সত্ৰ , গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰসমূহৰ বৰ্তমান ভকতৰ সংখ্যা পূৰ্বতকৈ কম দেখা যায়। বিশেষকৈ আউনীআটী সত্ৰ উদাস আৰু বৰপেটা সত্ৰ অৰ্ধ উদাস সত্ৰ হোৱা বাবে কেৱলীয়া ভকত দিনক দিনে কমি আহিছে। এটা কথা লক্ষ্যণীয় যে সত্ৰত ভকত নাথাকিলে সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। আনহাতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ আশে পাশে বহু জনজাতীয় লোক আছে যদিও ক্ষেত্ৰ অধ্যয়নৰ সময়ত সত্ৰকেইখনত এজনো উদাসীন ভকত দেখা নাযায়। অসমৰ পাঁচশ বছৰীয়া সত্ৰীয়া পৰম্পৰা অসমৰ সমাজ ব্যৱস্থাত ভৱিষ্যতলৈকে শিপাই থাকিবলৈ সত্ৰসমূহে জাতি-জনগোষ্ঠীৰ ব্যক্তিকো সত্ৰৰ ভকত হিচাপে সত্ৰত শিক্ষা গ্ৰহণৰ সুবিধা দিব লাগে। এনে কাৰ্যই দ্বাৰা সত্ৰৰ প্ৰতি জনগোষ্ঠীয় লোকসকলৰ শ্ৰদ্ধা বৃদ্ধি পাব। লগতে সত্ৰকেইখনে সত্ৰৰ কাম-কাজ পৰিচালনাৰ ক্ষেত্ৰতো সুবিধা হ'ব।

সত্ৰসমূহ বিশেষকৈ আধ্যাত্মিক শিক্ষাৰ কেন্দ্ৰস্থল বুলিব আছিল। বৰ্তমানৰ আধুনিক শিক্ষা ব্যৱস্থা যেতিয়ালৈকে উন্নীত হোৱা নাছিল। সত্ৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বাবেই সত্ৰত ভকতৰ ল'ৰা সংখ্যা বৃদ্ধি পাইছিল। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত বৰ্তমানো আধ্যাত্মিক শিক্ষা পৰম্পৰাগতভাৱে প্ৰদান কৰি আছে। সময়ৰ লগে লগে সত্ৰকেইখনে সত্ৰৰ আধ্যাত্মিক শিক্ষাক আনুষ্ঠানিক ৰূপলৈ পৰিৱৰ্তন কৰাব লাগিব। সত্ৰ অনুষ্ঠানুৰ মাজত থকা আধ্যাত্মিক, পৰিৱেশ্য-কলা আদি শিক্ষাক পদ্ধতিগত হিচাপে যদি শিক্ষা দিয়াৰ ব্যৱস্থা কৰে তেন্তে সমাজত সত্ৰীয়া শিক্ষাৰ গুৰুত্ব বৃদ্ধি পাব আৰু ভৱিষ্যৎ ইয়াৰ জৰিয়তে এক সংস্থাপনৰ বাট মুকলি হ'ব। অৱশ্যে ২০১৯ চনত অসম চৰকাৰৰ নেতৃত্বত মাজুলীত সাংস্কৃতিক বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয় যদিও সেয়া

আজিও কাৰ্যত পৰিণত হোৱা নাই। আউনীআটী সত্ৰই ২০২১ চনত অসমৰ চৰকাৰৰ লগত আলোচনা মৰ্মে টীয়কত থকা আউনীআটী শাখা সত্ৰত আউনীআটী বিশ্ববিদ্যালয় ব্যক্তিগত হিচাপে প্ৰতিষ্ঠাৰ সিদ্ধান্ত লয়। যদিহে কাৰ্যত পৰিণত হয় তেন্তে পদ্ধতিগত আধ্যাত্মিক তথা পৰিৱেশ্য কলাৰ শিক্ষাই সমাজক সমৃদ্ধিশালী কৰিব সেয়া নিশ্চিত। এই ক্ষেত্ৰত গড়মূৰ সত্ৰ, বৰপেটা সত্ৰইও চিন্তা চৰ্চা কৰাৰ প্ৰয়োজন।

পাঁচশ বছৰীয়া এক ধৰ্মীয় পৰম্পৰা মাজুলীত আছে যদিও বৰ্তমানলৈকে বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি নোপোৱা দিশটো সত্ৰসমূহে গুৰুত্ব দিব লাগে। সত্ৰৰ পৌৰাণিক ঐতিহ্য তথা শিল্প-ভাস্কৰ্যসমূহক সংৰক্ষণ কৰাৰ ক্ষেত্ৰত সত্ৰকেইখন বিফল হৈছে। সত্ৰকেইখনত আধুনিক পকা ইটা, শিল, বালিৰে নিৰ্মিত ঘৰ সজ্জা দেখা পোৱা যায়। বিশ্ব ঐতিহ্য ক্ষেত্ৰ নিৰ্বাচনত ভূমিকা লোৱা ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন ২০০৮ত এই বিষয়ে উল্লেখ কৰা দেখা যায় “Both the Sattra buildings and village houses traditionally used local materials-timber,bamboo, mud and thatch. As can be seen from the descriptions of Sattra buildings above, particularly in the namghar and Sattradhikars; houses, modern materials such as steel, brick, corrugated iron and cement render are bing used. This threat to the distinctiveness of the building is acknowledged in the Management Plan" (ICOMOS C-1206 rev). ইয়াৰ পৰা এটা কথা স্পষ্ট ৰূপত দেখা যায় যে সত্ৰৰ পৰম্পৰাগত স্থাপত্য আৰু ভাস্কৰ্য শিল্পসমূহ সংৰক্ষণত সত্ৰৰ ভূমিকা দেখা নাযায়। ফলত সত্ৰসমূহে ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত বিফল হৈছে। সেয়েহে সত্ৰসমূহে স্থাপত্য আৰু ভাস্কৰ্য সংৰক্ষণৰ জৰিয়তে বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ হিচাপে পৰিচয় দিয়াৰ ক্ষেত্ৰত প্ৰায়োগিক কাৰ্য পন্থালোৱাৰ প্ৰয়োজন আছে।

আনহাতে আজি পৰ্যন্ত মাজুলীৰ জনজাতীয় লোকৰ থকা-খোৱা, ৰাষ্টা-ঘাট আদিৰ সুবিধা নাই। স্থানীয় মানুহৰ সমস্যাকলৈ সত্ৰসমূহে মাত মতা দৰকাৰ। কিয়নো সত্ৰ এক সামাজিক অনুষ্ঠান। সমাজৰ বিভিন্ন কামত সত্ৰই ভূমিকা ল'ব পাৰে। আনহাতে ৰাজনৈতিক ভাৱে বৰ্তমান সত্ৰাধিকাৰসকলক বা সত্ৰক চৰকাৰী পক্ষই গুৰুত্ব দিয়ে । সেয়ে স্থানীয় বিভিন্ন সমস্যা সমাধানৰ

চেষ্টা সত্ৰফালৰ পৰা লোৱা উচিত। এনে কাৰ্যৰ দ্বাৰা সত্ৰৰ লগত সমাজৰ  সম্পৰ্ক সুদৃঢ় হ'ব। বৰ্তমান সময়ত সমাজ আৰু সত্ৰৰ এনে সম্পৰ্ক প্ৰয়োজন আছে। তেতিয়াহে সত্ৰীয়া সংস্কৃতি অসমৰ সমাজ ব্যৱস্থাত বৰ্তি থাকিব। সমাজৰ গুৰুত্বৰ অবিহনে সত্ৰীয়া সংস্কৃতিয়ে লোপ পাব সেয়া নিশ্চিত।

**প্রসংগ পুথি**

International Council on  Monument and Sites

(ICOMOS).EVALUATIONS OF CULTURAL PROOERTIES.2008